# 2016

## COMMERCE

## [ Functional MIL—I (ASSAMESE) ]

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়াঁ : ১×৫=৫

(ক) পি. ই. এন.-ৰ ভাৰতীয় শাখাৰ দ্বিতীয়গৰাকী সভানেত্ৰী কোন আছিল?

(খ) শকুন্তলাৰ পালিত পিতৃ কোন?

(গ) 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' পাঠটি কোনখন বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত দিয়া ভাষণৰ অনূদিত ৰূপ?

(ঘ) ইউৰোপৰ কবি কুল-গুৰুগৰাকীৰ নাম লিখাঁ।

(ঙ) 'লিখক আৰু বৰ্তমানৰ সংকট' নামৰ পাঠটিৰ লিখক কোন?

২। অতি চমুকৈ উত্তৰ দিয়াঁ : ২×৫=১০

(ক) শকুন্তলাৰ সখীয়েক দুজনীৰ নাম লিখাঁ।

(খ) পি. ই. এন.-ৰ মূল লক্ষ্য আৰু আদর্শ কি?

(গ) গণতান্ত্রিক জীৱনযাত্রা পদ্ধতিৰ দুটা উপাদানৰ নাম লিখাঁ।

(ঘ) ৰাজনীতি আৰু ধৰ্মচক্ৰৰ প্ৰতীক হিচাপে কাৰ নাম ল'ব পাৰি?

(ঙ) অনুৰাগজনিত প্ৰবৃত্তি আৰু ধ্বংসাত্মক প্ৰবৃত্তি কাক বোলে?

৩। চমুকৈ উত্তৰ দিয়াঁ (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "যুদ্ধত কোনো গৌৰৱ নাই, গৌৰৱ সৌহার্দ্যতহে।" বুজাই লিখাঁ।

(খ) "লতাৰ সৈতে ফুলৰ যি সম্বন্ধ, তপোবনৰ সৈতে শকুন্তলাৰো তেনেকুৱা স্বাভাৱিক সম্বন্ধ।" মন্তব্যটি আলোচনা কৰাঁ।

(গ) "ভাৰতীয় দর্শনৰ মতে মানুহৰ মন সৎ আৰু অসৎৰ চিৰকলীয়া ৰণভূমি।" প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ।

(ঘ) পুৰণি কালত গাঁৱলীয়া জীৱনধাৰা কেনে আছিল—'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' পাঠটিৰ আধাৰত বুজাই লিখাঁ।

(ঙ) "আমি আজি যেন পৰ্বতৰ থিয় গৰাৰ কাষত বৈ আছোঁ।" কি প্ৰসংগত লিখকে এই কথাষাৰ কৈছে, বুজাই লিখাঁ।

(চ) "শকুন্তলাৰ সৌভাগ্যৰ বাবেই দুষ্যন্তই নিষ্ঠুৰ কঠোৰতাৰে তেওঁক পৰিহাস কৰিছিল।" লিখকৰ চিন্তাক সমৰ্থন জনাই চমুকৈ আলচ কৰাঁ।

৪। (ক) শকুন্তলা আৰু মিৰান্দাৰ এটি তুলনামূলক আলোচনা কৰাঁ। ১০

*অথবা*

(খ) "ইয়াতেই বুৰঞ্জীৰ তিনিটা সুঁতি আহি লগ খালে।" ক'ত, কেনেদৰে তিনিটা সুতি লগ খাইছে, বুজাই লিখাঁ।

৫। বিজ্ঞাপন বুলিলে কি বুজা? বিজ্ঞাপনৰ চাৰিটা সুফল আৰু দুটা কুফল উল্লেখ কৰাঁ। ৪+৪+২=১০

৬। তলত দিয়া ধৰণে এখন পত্ৰ লিখাঁ : ১০

(পত্ৰত তোমাৰ নাম-ঠিকনা ব্যৱহাৰ নকৰি মনোমতী বড়ো, ৰঙিয়া, জিলা কামৰূপ (গ্ৰাম্য), অসম লিখিবা)

(ক) গুৱাহাটী পৌৰনিগমত কেইটিমান হিচাপৰক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশিত হৈছে। সেই পদৰ প্ৰাৰ্থী হিচাপে নিগমৰ আয়ুক্তলৈ (পানবজাৰ, গুৱাহাটী-১) প্ৰপত্ৰৰ আৰ্হিত এখন আবেদনপত্ৰ লিখাঁ।

*অথবা*

(খ) তোমাৰ অঞ্চলৰ পানীত আৰ্ছেনিক ধৰা পৰিছে। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগক অনুৰোধ জনাই 'দৈনিক অসম' (চানমৰি, গুৱাহাটী-৩) কাকতৰ সম্পাদকলৈ এখন চিঠি লিখাঁ।

৭। তলত দিয়া যি কোনো এটা বিষয়লৈ এখন ৰচনা লিখাঁ : ১৫

(ক) জনসংখ্যা বৃদ্ধিৰ সমস্যা আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

(খ) ভাৰতবৰ্ষৰ শিক্ষাৰ পটভূমিত অসমৰ বাণিজ্য শিক্ষা

(গ) অসমৰ অৰ্থনৈতিক বিকাশত প্ৰাকৃতিক সম্পদৰ ভূমিকা

(ঘ) যাতায়াত ব্যৱস্থা আৰু অৰ্থনৈতিক বিকাশ

★ ★ ★